**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-10-2024
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

---

ৰাজ্যৰ ৫টা সমষ্টিত হ্বলগীয়া উপ-নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে। ইয়াৰ লগে লগে সমষ্টিকেইটাত বিজেপি, কংগ্ৰেছ, অগপ, এ ইউ ডি এফ, তৃণমূল কংগ্ৰেছ, বিপিএফ, ইউ পি পি এলকে ধৰি বিভিন্ন ৰাজনৈতিক দলসমূহৰ মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। আজি কংগ্ৰেছ নেতৃত্বাধীন সংযুক্ত বিৰোধী মৰ্চাৰ এখন বৈঠক অনুষ্ঠিত হৈছে। বৈঠকত কংগ্ৰেছৰ তত্বাৱধায়ক ড০ জিতেন্দ্ৰ সিং উপস্থিত থাকে। বৈঠকত কংগ্ৰেছৰ নেতাসকলৰ লগতে বিৰোধী মৰ্চাৰ নেতাসকলো উপস্থিত থাকে। এই বৈঠকতে আসন্ন উপ-নিৰ্বাচনৰ বাবে প্ৰাৰ্থিত্বৰ ভাগ-বটোৰাৰা সন্দৰ্ভত আলোচনা কৰা হৈছে।

ইপিনে, ভাৰতীয় জনতা পাৰ্টী, অসম গণ পৰিষদ আৰু ইউ পি পি এল দলেও নিৰ্বাচনী প্ৰস্তুতি অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিত খালী হোৱা বিধানসভাৰ আসন ৫ খনৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ আজি শুভ উদ্বোধন কৰা হ'ব। দিছপুৰৰ লোকসেৱা ভৱনত বিয়লি চাৰি বজাত নিৰ্বাচিত উদ্যোগীলৈ ক্ৰমে দুই লাখ আৰু ৫ লাখ টকাকৈ আগবঢ়োৱা হ'ব। উদ্যোগীসকললৈ আৰ্থিক সাহায্য আগবঢ়োৱা এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকাৰ লগতে উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান ইত্যাদি বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকিব।

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ বাবে আগ্ৰহী অৰ্হতাসম্পন্ন আবেদনকাৰীসকলে পঞ্জীয়ন কৰিব পাৰে। চি এম এ এ এ প'ৰ্টেল cmaaa.assam.gov.in ত প্ৰথমে নিজৰ নাম পঞ্জীয়ন কৰি পৰৱৰ্তী সময়ত তেওঁলোকৰ প্ৰকল্পৰ প্ৰতিবেদন জমা দিব পাৰিব। নিজৰ সম্পূৰ্ণ নাম, ম'বাইল নম্বৰ, ই-মেইল আই ডি আদি প্ৰদান কৰি প'ৰ্টেলত পঞ্জীয়ন কৰিব পাৰিব। সাধাৰণ শ্ৰেণীৰ বাবে পঞ্জীয়ন মাচুল ২০০ টকা আৰু অনুসূচীত জাতি-জনজাতি তথা অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে ১০০ টকা অনলাইন মাধ্যমেৰে জমা দিব লাগিব। সফল পঞ্জীয়নৰ অন্তত প্ৰাপ্তি স্বীকাৰৰ ৰচিদ ডাউনলোড কৰিব পাৰিব। পঞ্জীয়নৰ প্ৰ-পত্ৰত উল্লেখ কৰা নাম প্ৰাৰ্থীৰ পৰিচয়পত্ৰ, বেংকৰ পাচবুক আদিৰ সৈতে একে হোৱাটো বাঞ্চনীয়। আবেদনকাৰী অসমৰ স্থায়ী বাসিন্দা আৰু অসমত বসবাস কৰা ব্যক্তি হ'ব লাগিব। নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়নভুক্ত হ'ব লাগিব। আবেদনকাৰীৰ বয়স ১ এপ্ৰিল ২০২৪ত  ২৮'ৰ পৰা ৪৫ বছৰৰ ভিতৰত হ'ব লাগিব। অনাবৃত্তিমূলক শাখাৰ প্ৰাৰ্থীসকলৰ বাবে দশম শ্ৰেণী উত্তীৰ্ণ হ'ব লাগিব। ইফালে বৃত্তিমূলক শাখাৰ প্ৰাৰ্থীসকলৰ বাবে অভিযান্ত্ৰিক, মেডিচিন, কৃষি, পশু আৰু মীন পালন আদি খণ্ডৰ চাৰি বছৰীয়া স্নাতক হোৱাটো বাঞ্চনীয়। ন্যূনতম শিক্ষাগত অৰ্হতাৰ লগতে আবেদনকাৰীৰ কিছু অন্যান্য অৰ্হতা থকাটো প্ৰয়োজন। আবেদনকাৰীৰ দক্ষতা, অভিজ্ঞতা, ধন উপাৰ্জন সম্পৰ্কীয় কাম কৰাৰ জ্ঞান থকাটো প্ৰয়োজন। বাণিজ্যিক বেংকত আবেদনকাৰীৰ এক এপ্ৰিল ২০২৪ৰ পূৰ্বৰ বেংক একাউণ্ট থকাটো প্ৰয়োজনীয়।

আবেদনকাৰী পূৰ্বে কোনো বাণিজ্যিক বেংকৰ পৰা ঋণ লৈ পৰিশোধ নকৰা ব্যক্তি হ'ব নালাগিব। ইয়াৰ লগতে আবেদনকাৰী অথবা পৰিয়ালৰ কোনো সদস্যই চি এম এ এ এ প্ৰথম পৰ্যায়ৰ সুবিধা লাভ কৰিব নালাগিব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম পৰ্যায়ত ২৫ হাজাৰতকৈও অধিক যুৱ উদ্যমীলৈ ৫১০ কোটি টকাৰ আৰ্থিক অনুদানৰ প্ৰথম কিস্তিৰ ধন ইতিমধ্যে মুকলি কৰি দিয়া হৈছে।

oooooo

ৰাজ্যত সংঘটিত অবৈধ ট্ৰেডিং কেলেংকাৰি গোচৰ সন্দৰ্ভত চি বি আইৰ তদন্ত অব্যাহত আছে। এই অনুসন্ধানৰ অংশ হিচাপে ট্ৰেডিং কেলেংকাৰিৰ কেইবাগৰাকীও ভুক্তভোগীক আজি চি বি আয়ে গুৱাহাটী কাৰ্যালয়লৈ সোধা-পোছাৰ বাবে মাতিছে। উল্লেখযোগ্য যে ট্ৰেডিং কেলেংকাৰি গোচৰৰ অভিযুক্ত দীপাংকৰ বৰ্মন এতিয়াও পলাতক অৱস্থাত আছে।

oooooo

অসমৰ পৰ্বতাৰোহী নৱ কুমাৰ ফুকনে ৮ হাজাৰ ৮৮৪ মিটাৰ উচ্চতাৰ নিউ গিনি দ্বীপৰ পুনকাক জয়া বা কাৰ্ষ্টেন্স পিৰামিড আৰোহণ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। কাৰ্ষ্টেন্স পিৰামিড হ'ল ইণ্ডোনেছিয়াৰ সৰ্বোচ্চ শৃংগ। ইণ্ডোনেছিয়াৰ মধ্য পাপুৱাৰ মিমিকা ৰিজেন্সিৰ হাইলেণ্ডৰ চুদিৰমান ৰেঞ্জত এই পৰ্বত অৱস্থিত। নৱ কুমাৰ ফুকনে ১৪ অক্টোবৰত এই অভিযান সফলভাৱে সম্পন্ন কৰিবলৈ সমৰ্থ হয়। ফুকনে অ' এন জি চিৰ চি এছ আৰ পদক্ষেপৰ অধীনত লাইপলেং তৈলক্ষেত্ৰ এলেকাৰ স্থানীয় যুৱকৰূপে অ' এন জি চি অসম এচেটৰ পৃষ্ঠপোষকতাত এই অভিযান চলাইছিল।

oooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজত বাংগালুৰুৰ এম ছিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ তৃতীয় দিনৰ খেল আজি পুৱা পুনৰ আৰম্ভ হৈছে। নিউজিলেণ্ডে কালিৰ ৩ উইকেটত ১৮০ ৰাণৰ পৰা খেল আৰম্ভ কৰি আজি তৃতীয় দিনা বাতৰি লিখাৰ পৰলৈকে ৭টা উইকেট হেৰুৱাই প্ৰথম ইনিংছত ৩৪৫ ৰান সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ ৰাছিন ৰবীন্দ্ৰই ১০৪ আৰু টিম ছাউথিয়ে ৪৯ ৰাণ কৰি খেলি আছে। নিউজিলেণ্ড বৰ্তমান ভাৰতৰ প্ৰথম ইনিংছতকৈ ২৯৯ ৰানত আগবাঢ়ি আছে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰি মাত্ৰ ৪৬ ৰানতে প্ৰথম ইনিংছ সামৰে।

oooooo

সমাপ্ত